# LAFFAN SOFTWARE LIMITED

CIN: L72200AS1985PLC002426
REGD. OFF.: 205, HARIBOL ROY MARKET, 2nd FLOOR, A.T.ROAD, GUWAHATI - 781 001
CORP. OFF.: 21/7, SAHAPUR COLONY, GROUND FLOOR, KOLKATA – 700 053
Web: laffan.co.in
E_mail ID : laffan@mail.com
Phone No.: +91 9163513015

Date: 20th January, 2025

To,
Metropolitan Stock Exchange of India Limited
205(A), 2nd floor, Piramal Agastya
Corporate Park, Kamani Junction,
LBS Road, Kurla (West),
Mumbai – 400070.

**Sub: Compliance under Regulation 30 & 47 of Securities and Exchange Board of India (Listing Obligations and Disclosure Requirements) Regulations, 2015.**

Dear Sir/Madam,

Pursuant to Regulation 30 & 47 of Securities and Exchange Board of India (Listing Obligations and Disclosure Requirements) Regulations, 2015, please find enclosed copies of newspaper advertisement published in the Newspapers viz. **The Assam Rising** (English) and **Dainandin Barta.** (Assami) informing about the Extra Ordinary Meeting scheduled to be held on Friday, 24th January, 2025.

This is for your information & records.

Thanking You,
Yours Faithfully,

**For, LAFFAN SOFTWARE LIMITED**

SANDIP KUMAR SINGH
Digitally signed by SANDIP KUMAR SINGH
Date: 2025.01.20 18:41:22 +05'30'

**SANDIP KUMAR SINGH**
**Director & CFO**

*Encl: As above*

# চাবুৱাত পানী নিষ্কাষণৰ নলা, পথ নিৰ্মাণ কাৰ্যৰ পৰিদৰ্শন বিধায়ক পোনাকণ বৰুৱাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ১৯ জানুৱাৰী ঃ** বিগত কেইবা বছৰৰ পৰা চাবুৱা চহৰৰ মাজভাগতে পুৰণি ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথতো সামান্য এজাক বৰষুণতে জলমগ্ন হৈ পৰে। যাৰ ফলত এই পথেৰে অহা-যোৱা, বজাৰ সমাৰ আদি কৰাটো দুৰ্বিসহ হৈ পৰে। ৰাইজৰ এই আহকাল দূৰ কৰিবলৈ প্ৰচেষ্টাই অৱশেষত ফল ধৰিছে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ প্ৰচেষ্টাত। পথৰ কাষত পকী নলা নিৰ্মাণৰ কাম সম্প্ৰতি দ্ৰুত গতিত চলিছে। চাবুৱা এম ই এছ তিনি আলিৰ পৰা 'গৌৰৱ পথ' নামেৰে এটি অভিলাষী পথ আৰু নলা নিৰ্মাণৰো কাম দ্ৰুত গতিত চলিছে। আজি বিধায়ক পোনাকণ বৰুৱাই অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ কাৰ্যবাহী অভিযন্তা, চক্ৰ বিষয়া, চাবুৱা পৌৰসভাৰ পৌৰপতি, কাৰ্যবাহী বিষয়া আদিক লগত লৈ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰে। পানী নিষ্কাষণৰ বাবে বিজ্ঞানসম্মতভাৱে নলা আৰু পথ নিৰ্মাণ দুয়োটাই সমান্তৰালকৈ আগবঢ়াই নিবলৈ ঠিকাদাৰ আৰু বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে বিধায়কগৰাকীয়ে।

### মৰিগাঁৱত আৰক্ষীৰ অভিযান

## ড্ৰাগ্‌ছ, অবৈধ বিলাতী সুৰা, ম'বাইল, চুৰি সামগ্ৰীসহ এজনক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ১৯ জানুৱাৰী ঃ** মৰিগাঁও আৰক্ষীয়ে আজি চহৰখনৰ পছতীয়াত এক গোপন অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগ্‌ছ, অবৈধ বিলাতী সুৰাৰ লগতে বিভিন্ন চুৰি সামগ্ৰী উদ্ধাৰ কৰাৰ লগতে এজন ব্যক্তিক আটক কৰে। মৰিগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিপ্ৰসাদ সন্দিকৈৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলটোৱে এই অভিযান কালত ধৃত পছতীয়াৰ সুভাষ পাটৰ নামৰ ব্যক্তিজনৰ ঘৰৰ পৰা বুজন পৰিমাণৰ ড্ৰাগ্‌ছ, বিলাতী সুৰা, পানী মটৰ, কাঁহ পিতলৰ সামগ্ৰীসহ নগদ ২৯ হাজাৰ টকা আৰু ২০ টাকৈ ম'বাইল ফোন জব্দ কৰে। জব্দকৃত ড্ৰাগ্‌ছখিনিৰ মূল্য প্ৰায় ৫ লাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। আৰক্ষীয়ে ধৃত সুভাষ পাটৰক গ্ৰেপ্তাৰ কৰি সোধপোচ অব্যাহত ৰাখিছে।

# শিৱসাগৰ বেতবাৰীত সুশান্ত বৰগোহাঁইক বিপুল সম্বৰ্ধনা

### ৫ শতাধিকৰ বিজেপিত যোগদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৯ জানুৱাৰী ঃ** অহা পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত ৰাইজ উন্নয়নৰ পক্ষত থাকিব। পঞ্চায়ত নিৰ্বাচনত বিৰোধীয়ে প্ৰাৰ্থী বিচাৰি পাব নে নাই সন্দেহ আছে। সততে আন্দোলন, প্ৰতিবাদ কৰিবলৈ উচতাই থকা সকলৰ লগত নাথাকে ৰাইজ। আন্দোলন কৰা সকলে মাটিৰ পট্টাই হওক বা আন সুবিধাই হওক, একো নিদিয়ে। আমি ৰাইজৰ বাবেই কাম কৰো, আমাৰ চৰকাৰে উন্নয়ন আৰু বিকাশৰ বাবে সকলো কাম কৰি যাব।'—আজি শিৱসাগৰ বেতবাৰী মিঠাপুখুৰী ৰংগমঞ্চত অনুষ্ঠিত বিজেপিৰ এখন বিশাল যোগদান সভাত এই মন্তব্য কৰে ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইয়ে। ডিমৌ সমষ্টিৰ খেলুৱা মণ্ডল বিজেপিৰ উদ্যোগত অনুষ্ঠিত সভাত বিধায়কগৰাকীয়ে লগতে বিজেপি চৰকাৰে কেতিয়াও দুৰ্নীতি অনিয়মক প্ৰশ্ৰয় নিদিয়ে বুলি উল্লেখ কৰি কয় 'বিজেপিক এই কাৰণেই শক্তিশালী কৰিব লাগে যে এই চৰকাৰৰ দিনত কোনো মন্ত্ৰী বিধায়কৰ ঘৰত চাকৰি বিক্ৰী নহয়। যোগ্যতাৰ ভিত্তিত নিযুক্তি দিয়া হয়। বহু দৰিদ্ৰ পৰিয়ালৰ সন্তানে এক টকা খৰচ নকৰাকৈ যোগ্যতা অনুসৰি চাকৰি পাইছে বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত। বিজেপিক এই কাৰণে শক্তিশালি কৰিব লাগে যে দেশ, ৰাজ্য সম্পূৰ্ণ সুৰক্ষিত হৈ থাকিব। বিজেপিক এই কাৰণেই শক্তিশালী কৰক যে উন্নয়ন আৰু বিকাশৰ ধাৰা যাতে অব্যাহত থাকে।' বৰ্তমান বিধায়কে স্বাক্ষৰ কৰি দিলেহে ঘৰ নেপাই, পঞ্চায়তৰ নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ মাজেৰেহে ঘৰ লাভ কৰে বুলিও উল্লেখ কৰে বিধায়কগৰাকীয়ে। অন্যহাতে বেতবাৰী মৌজাত সোনকালে ৫০০ মানুহ একেলগে বহিব পৰা এটা প্ৰেক্ষাগৃহ নিৰ্মাণৰ চিন্তা কৰা হৈছে বুলি সদৰি কৰে। এইদৰে শিৱসাগৰৰ সমষ্টিৰ পৰা যি কেইখন পঞ্চায়ত এলেকা ডিমৌ সমষ্টিত অন্তৰ্ভুক্ত কৰা হৈছে সেই এলেকা সমূহত বৰ্তমান বহু উন্নয়ন মূলক কাম হ'বলৈ গৈ থকা বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। তদুপৰি নিগমত এখন বি এড কলেজ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠাৰ উপৰিও সমষ্টিটোত এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ প্ৰস্তাৱ দিয়াৰ কথা উল্লেখ কৰে। ইয়াৰ উপৰিও ৭-৮ মাহৰ পিছতে ভূমি পট্টা নথকা বহু পৰিয়ালক ভূমি পট্টা দিয়া হ'ব বুলিও জানিবলৈ দিয়ে সুশান্ত বৰগোহাঁইয়ে। ভাষণ প্ৰসংগত সুশান্ত বৰগোহাঁইয়ে আৰু কয় 'বেতবাৰী মৌজাটো কিছুমান দিশত পিছপৰি আছে। এতিয়াৰ পৰা এই অঞ্চলৰ উন্নয়ন আৰু বিকাশ ত্বৰান্বিত কৰা হ'ব। আমাৰ পৰিকল্পনাই ভৱিষ্যত প্ৰজন্মক আগুৱাই যোৱাত সহায় কৰিব।' বিজেপিৰ খেলুৱা মণ্ডলৰ সভাপতি নৱ কুমাৰ বৰুৱাই আদৰণি ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ সকলোতে উন্নয়ন আৰু বিকাশে চুই গৈছে বুলি উল্লেখ কৰি কয় 'বিজেপি চৰকাৰৰ দিনত যি বৈদেশিক নীতি গ্ৰহণ কৰা হৈছে সেই নীতিয়ে ভাৰতক যথেষ্ট শক্তিশালী কৰিছে। কংগ্ৰেছৰ ৬৫ বছৰীয়া শাসনত অসমত যিমান চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিলে বিজেপি চৰকাৰ হোৱাৰে পৰা তাতকৈ বেছি চিকিৎসা মহাবিদ্যালয় হ'ল। ঠায়ে ঠায়ে কেঞ্চাৰ হস্পিটেল হ'ল। গাঁওসমূহৰ বিদ্যালয়, নামঘৰৰ আন্তগাঠনি বহুত উন্নত হ'ল।' সভাত জিলা সভাপতি বিতুপন ৰাইদঙীয়াই ভাষণ প্ৰদান কৰি যুৱ প্ৰজন্মই দেশ চলাব পৰাকৈ মোদী চৰকাৰে যুৱ প্ৰজন্মক গঢ়িবলৈ যথেষ্ট কাম কৰা বুলি দোহাৰে। কংগ্ৰেছৰ শাসন কাল কেৱল দুৰ্নীতি ভ্ৰষ্টাচাৰে ভৰা আছিল বুলিও সমালোচনা কৰে জিলা সভাপতিগৰাকীয়ে। মাতৃ বন্দনা, বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা উক্ত সভাতে শেহতীয়াকৈ বিধায়ক সুশান্ত বৰগোহাঁইক বিজেপিৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত কৰাত বিপুল সম্বৰ্ধনা জ্ঞাপন কৰে খেলুৱা মণ্ডলৰ লগতে ডিমৌ সমষ্টিৰ বিভিন্ন মণ্ডল, বুথ কমিটীসমূহৰ বিষয়ববীয়াসকলে। সম্বৰ্ধণা গ্ৰহণ কৰি ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হৈ গৌৰৱবোধ কৰাৰ লগতে এতিয়াৰে দায়িত্ব আৰু কৰ্তব্য, দায়বদ্ধতা অধিক বৃদ্ধি পালে বুলি মন্তব্য কৰে বিধায়কগৰাকীয়ে। উক্ত সভাতে ৰাইজৰ দল, কংগ্ৰেছ আদি বিৰোধী ৰাজনৈতিক দল , জাতীয় সংগঠন, সৰ্বসাধাৰণ নাগৰিকসহ পাঁচ শতাধিক লোকে বিজেপিত যোগদান কৰে। শিৱসাগৰ নগৰ মহল পঞ্চায়তৰ ৰাইজৰ দলৰ বহুসংখ্যক বিষয়ববীয়া, সদস্যই পিন্ধে গেৰুৱা বসন। এই বৃহৎ সংখ্যক লোকৰ বিজেপিত যোগদানে দলটো অধিক শক্তিশালী কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত অসম চাহ নিগমৰ উপাধ্যক্ষ শিৱ ভদ্ৰা, বিজেপি নেতা ৰুবুল বৰা, যুৱ নেতা সমীৰণ বৰদলৈ, মনোজ বৰগোহাঁই সহ বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে। লক্ষ্যণীয় যে বেতবাৰী মৌজাটো নতুনকৈ ডিমৌ সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ পিছৰে পৰা বিধায়ক সুশান্ত বৰগোঁহাইয়ে বিশেষ তৎপৰতা গ্ৰহণ কৰিছে। আজিৰ সভাত কংগ্ৰেছ আৰু ৰাইজৰ দলৰ ভালেসংখ্যক কৰ্মীয়ে বিজেপিত যোগদান কৰা দৃশ্যই বিশেষ তাৎপৰ্য বহন কৰিছে।

## কামপুৰত দুষ্প্ৰাপ্য প্ৰজাতিৰ শগুণ উদ্ধাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ১৯ জানুৱাৰী ঃ** নগাঁও জিলাৰ কামপুৰৰ নিজ নাৰিকলি গাঁৱৰ পৰা কালি এটি দুষ্প্ৰাপ্য প্ৰজাতিৰ শগুণ উদ্ধাৰ কৰা হৈছে। জানিব পৰা মতে, হিমালয়ান গ্ৰিফন প্ৰজাতিৰ এই শগুণটো কামপুৰৰ প্ৰকৃতিপ্ৰেমী ধৰণী শইকীয়াই ৰুগ্ন অৱস্থাত উদ্ধাৰ কৰি কামপুৰ পশু চিকিৎসালয়ৰ চিকিৎসক চন্দ্ৰমিতা বৰ্মনৰ অধীনত চিকিৎসা কৰি আজি উন্নত চিকিৎসাৰ বাবে কাজিৰঙাৰ পশু উদ্ধাৰ কেন্দ্ৰলৈ প্ৰেৰণ কৰে। কামপুৰত এতিয়াও শগুণৰ কলনী থকা বাবে কামপুৰৰ সচেতন লোক উৎসাহিত হয় আৰু বন্যপ্ৰাণীপ্ৰেমী ধৰণী শইকীয়াৰ এনে মহান কামৰ বাবে সচেতন লোকে শলাগ লয়।

## নগাঁৱৰ ব'ৰকলাত পথৰ দাঁতিত যুৱ উদ্যোগী দেবেন শৰ্মাৰ মৃতদেহ উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৯ জানুৱাৰী ঃ** নগাঁও সদৰ আৰক্ষী থানাৰ অন্তৰ্গত নগাঁও-দক্ষিণপাট-কামপুৰ সংযোগী পথৰ ব'ৰকলাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই নগাঁৱৰ লগতে সমগ্ৰ দক্ষিণপাট অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি পুৱা ব'ৰকলাত পথৰ দাঁতিত যুৱকজনৰ মৃতদেহ উদ্ধাৰ হয়। মৃতদেহ উদ্ধাৰ হোৱা যুৱকজন হৈছে দক্ষিণপাটৰ যুৱ উদ্যোগী, ব্যৱসায়ী আৰু সমাজকৰ্মী দেৱেন শৰ্মা। ঘটনাস্থলীত যুৱকজনৰ মটৰ চাইকেলখনো উদ্ধাৰ হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত ৰহা আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰে। যুৱক জনৰ মৃতদেহ কি পৰিস্থিতিত পথৰ দাতিত উদ্ধাৰ হল সেয়া জানিব পৰা হোৱা নাই। আৰক্ষীৰ সঠিক তদন্ততহে এই ঘটনাৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব। যুৱকজনৰ মৃতদেহ উদ্ধাৰৰ বাতৰি বিয়পি পৰাৰ লগে লগে সমগ্ৰ দক্ষিণপাট অঞ্চলত শোকৰ ছাঁ পৰিছে। অসম জাতীয়তাবাদী যুৱ- ছাত্ৰ পৰিষদৰ দক্ষিণপাট আঞ্চলিক সমিতি, স্থানীয় ছাত্ৰ সন্থা, মনচুন কলা পৰিষদ, স্থানীয় শিক্ষানুষ্ঠানসমূহৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। যুৱকজনৰ পৰিয়ালতো এক শোকাকুল পৰিবেশৰ সৃষ্টি হয়। মৃতদেহ উদ্ধাৰ হোৱা যুৱকজনৰ ঘৰ দক্ষিণপাটৰ সত্ৰচুকত।

# মৰণৈ চাহ বাগিচাত বিপিএফ- কংগ্ৰেছ-বিজেপি ত্যাগ কৰি পাঁচ শতাধিক পুৰুষ-মহিলাৰ ইউপিপিএলত যোগদান



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৯ জানুৱাৰী ঃ** আগন্তুক বিটিচি নিৰ্বাচনৰ প্ৰতি লক্ষ্য কৰি ইউপিপিএল দল সক্ৰিয় হৈ পৰিছে। বিটিচিৰ ৩ নম্বৰ শ্ৰীৰামপুৰ সমষ্টিত দলৰ সাংগঠনিক ভেটি মজবুত কৰিবলৈ দলত নতুন সদস্য ভুক্তি কৰাৰ বাবে জোৰদাৰ কাৰ্যসূচী চলোৱা পৰিলক্ষিত হৈছে। এদিন পূৰ্বে শ্ৰীৰামপুৰ সমষ্টিৰ ছেৰফাংগুৰীত বৃহৎ যোগদান কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ পাছত আজি একেটা সমষ্টিৰ মৰনই চাহ বাগিচাত ইউপিপিএল দলৰ বৃহৎ যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। শ্ৰীৰামপুৰ সমষ্টিৰ ইউপিপিএল দলৰ ঠাকুৰপুৰ প্ৰাইমাৰী কমিটীৰ উদ্যোগত অনুষ্ঠিত এই যোগদান সভাত মুখ্য অতিথি হিচাপে কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত থাকে। ইউপিপিএল দলৰ শ্ৰীৰামপুৰ ব্লক কমিটীৰ সভাপতি নিকোলাছ হাছদাৰ পৰিচালনাত অনুষ্ঠিত উক্ত সভাৰ উদ্বোধনী ভাষণ প্ৰদান কৰি বিটিচিৰ ই এম উইলছন হাছদাই কয়, 'কেন্দ্ৰীয়, ৰাজ্য আৰু বিটিচি চৰকাৰ আদিবাসী প্ৰেমী বুলি উল্লেখ কৰে আৰু এই চৰকাৰৰ দিনত আদিবাসীৰ যথেষ্ট উন্নতি হোৱা বুলি দাবী কৰে। আদিবাসীৰ সামাজিক, আৰ্থিক শৈক্ষিক ক্ষেত্ৰত উন্নতিৰ বাবে চৰকাৰৰ আঁচনিবোৰৰ বিষয়ে বিস্তাৰিত ভাৱে কয়। বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োই বিটিআৰত বসবাস কৰা ২৬টা জাতি-জনগোষ্ঠীৰ ভাষা সংস্কৃতিৰ বিকাশ, মাটিৰ অধিকাৰ, উগ্ৰপন্থীৰ সমস্যাৰ সমাধান, আদিবাসীৰ উন্নয়নৰ বাবে পৃথক উন্নয়ন পৰিষদ গঠন কৰাকে ধৰি মোক বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে মনোনীত কৰাটো প্ৰমোদ বড়োৰ আদিবাসীৰ প্ৰতি মৰম চেনেহ থকাটোৱেই প্ৰমাণ কৰে। মোক ই এম হোৱাৰ পাছত শ্ৰীৰামপুৰ সমষ্টিত শৈক্ষিক আৰু অন্যান্য দিশত বহুতো কাম কৰাৰ সুযোগ পাইছো। সেই সুযোগৰ সদ্ব্যৱহাৰ কৰি শ্ৰীৰামপুৰ কলোনীৰ দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ উচ্চ শিক্ষা গ্ৰহণৰ সুযোগ কৰি দিবলৈ সক্ষম হৈছো। তেঁও পুনৰ ইউপিপিএল দলৰ সভাপতি তথা বিটিচিৰ মুৰব্বী প্ৰমোদ বড়োৰ প্ৰশংসা কৰি কয় বিটিচি চৰকাৰে চাওতাল, মুণ্ডা, ওৰাও, হো, ভীলকে ধৰি আদিবাসী জনগোষ্ঠীৰ উন্নয়নৰ বাবে বীৰছা মুণ্ডা আঁচনিৰ প্ৰৱৰ্তন কৰি আৰ্থিক অনুদান দি আদিবাসীৰ ধৰ্মীয়, কলা-কৃষ্টিৰ সংৰক্ষণ তথা প্ৰসাৰৰ বাবে কাম কৰি আছে। আদিবাসী ভাষা, সাহিত্য-সংস্কৃতিৰ উন্নতিৰ বাবেও আৰ্থিক পেকেজ দি বিভিন্ন প্ৰকল্প নিৰ্মাণ কৰিছে আৰু কৰাৰ বাবে বাজেটত আৰ্থিক ব্যৱস্থা ৰাখিছে। পূৰ্বৰ কংগ্ৰেছ বিপিএফ চৰকাৰ বা কোনো এটা ৰাজনৈতিক দলৰ মন্ত্ৰী নেতাই আদিবাসীৰ বাবে ভবা নাছিল। প্ৰমোদ বড়োৰ নেতৃত্বত ইউপিপিএল দল আৰু বিটিচি চৰকাৰে মহিলা সৱলীকৰণৰ বাবেও অনেক আঁচনি লৈ মহিলাসকলৰ প্ৰভূত উন্নতি কৰিছে। বিভিন্ন জাতি-জনগোষ্ঠীৰ অভাৱ অভিযোগ সমস্যাৰ বুজ লৈ সমাধান কৰাৰ লক্ষ্য লৈ প্ৰমোদ বড়োই প্ৰতিটো জাতি-জনগোষ্ঠীৰ বাবে ভিজন ডকুমেণ্ট বনাই কাম কৰাৰ সংকল্প লৈছে আৰু বিটিআৰৰ ২৬ টা জাতি-জনগোষ্ঠীৰ সমস্যাৰ সমাধান কৰা হবই। শান্তি-সম্প্ৰীতিৰ পৰিৱেশত সকলোৱে কেৱল উন্নতি আৰু প্ৰগতিৰ পথত আগুৱাই গৈ আছে। এতিয়া বোমা-বাৰুদ নাই আছে কেৱল আগবাঢ়ি যোৱাৰ প্ৰতিযোগিতা। শিক্ষা দীক্ষাৰ লগতে কৰ্ম সংস্থাপনৰ বাট মোকলাই বিটিচিত এক অনুকূল বাতাবৰণৰ সৃষ্টি কৰা বিটিআৰ বাসী ৰাইজে প্ৰত্যক্ষ আৰু উপলব্ধি কৰিব পাৰিছে। ইউপিপিএল বিৰোধী বিপিএফ কংগ্ৰেছ তথা আন দলৰ যে কোনো কাম নাই সেয়াও ৰাইজে উপলব্ধ কৰিব পাৰিছে যাৰ ফলত আন দল এৰি প্ৰায় প্ৰতিদিনেই ইউপিপিএল দলত যোগদান কৰিবলৈ দলে দলে ৰাইজ আগুৱাই আহি আছে। আজিৰ এই যোগদান সভাত ঠাকুৰপুৰ প্ৰাইমাৰী কমিটীৰ অন্তৰ্গত বিভিন্ন গাঁও তথা মৰনই চাহ বাগিচাৰ পৰা কংগ্ৰেছ বিপিএফ আৰু কিছু বিজেপিৰ পৰা ইউপিপিএল দলত যোগদান কৰে। নতুনকৈ ইউপিপিএল দলত যোগদান কৰা প্ৰায় পাঁচ শতাধিক পুৰুষ মহিলাক সাংসদ জয়ন্ত বসুমতাৰীৰ উপস্থিতিত ইউপিপিএল দলৰ নেতা নেত্ৰীসকলে দলীয় প্ৰতীক সম্বলিত গামোছাৰে আদৰি লয়। উক্ত যোগদান সভাৰ মুখ্য অতিথিৰ ভাষণত কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে তেওঁৰ ভাষণত কয় ঐক্য শান্তিৰ ওপৰত অতি গুৰুত্ব প্ৰদান কৰি প্ৰকৃততে প্ৰমোদ বড়োই প্ৰথমেই বিটিআৰত শান্তি প্ৰতিষ্ঠা কৰাত সফল হৈছে। প্ৰমোদ বড়োই দল আৰু বিটিচিৰ ক্ষমতাত আসীন হোৱাৰ পূৰ্বে ৰাইজক যি প্ৰতিশ্ৰুতি দিছিল সেই মতে কাম কৰি আজি বিটিআৰ অঞ্চলত শান্তিৰ পৰিৱেশ ঘূৰাই আনিছে। যাৰফলত প্ৰতিটো জাতি-জনগোষ্ঠীৰ উন্নতি হৈছে। বিশেষ কৈ আদিবাসী জনগোষ্ঠীৰ অৰ্থনৈতিক, আৰ্থিক, শৈক্ষিক, সামাজিক দিশত উন্নয়নৰ বাবে প্ৰমোদ বড়োই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ আদিবাসী সমাজৰ পৰা ডাক্তৰ, ইঞ্জিনিয়াৰ, অফিচাৰ বনাবলৈ বিনামূলীয়া প্ৰশিক্ষণ দিয়াৰ ব্যৱস্হা কৰিছে। প্ৰমোদ বড়োই বীৰছা মুণ্ডা আঁচনিৰ দ্বাৰা আদিবাসীৰ উন্নয়নৰ বাবে বহু কাম কৰিছে আৰু কৰিব বুলি সাংসদ গৰকীয়ে কয়। তেঁও এই অঞ্চলৰ সমূহ সমস্যাৰ সমাধান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। উক্ত সভাত উপস্থিত হৈ গোসাঁইগাঁও সমষ্টিৰ বিধায়ক জিৰণ বসুমতাৰীয়ে বিটিচি চৰকাৰৰ চাৰি বছৰৰ উন্নয়নৰ জয়গান গাই ভাষণ প্ৰদান কৰে।

# আঘাতপ্ৰাপ্ত অৱস্থাত যমুনানৈত পেলাই দিয়াৰ চেষ্টা দুৰ্বৃত্তৰ দলৰ ডবকাত যুৱ ব্যৱসায়িক চোকা অস্ত্ৰৰে হত্যাৰ চেষ্টা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১৯ জানুৱাৰী ঃ** ডবকা আৰক্ষী থানাৰ অন্তৰ্গত ডবকা চহৰৰ ৫নং ৱাৰ্ডত যোৱা নিশা অসম যুৱ পৰিষদৰ হোজাই জিলাৰ প্ৰাক্তন উপ-সভাপতি তথা যুৱ ব্যৱসায়ীক দুৰ্বৃত্তৰ দলে চোকা অস্ত্ৰৰে আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। যুৱ পৰিষদৰ নেতা তথা ব্যৱসায়ী নেৰাজ উদ্দিন নামৰ যুৱকক লাঠি, চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰে দুৰ্বৃত্বৰ দলে।গুৰুতৰ ভাবে নেৰাজ উদ্দিনক নিশাই স্থানীয় ৰাইজৰ সহায়ত পৰিয়ালৰ লোকে ভৰ্তি কৰায় ডবকা লাইফ কেয়াৰ নামত ব্যক্তিগত চিকিৎসালয়ত। নেৰাজ উদ্দিনৰ অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে হোজাই হাম হাস্পতালত ভৰ্তি কৰা হয়। দুৰ্বৃত্তৰ আক্ৰমনত নেৰাজৰ মুৰত ৩২টাকৈ চিলাই দিবলগীয়া হৈছে বুলি জানিব পৰা গৈছে। অকল আক্ৰমনেই নহয়, আক্ৰমণস্থলীৰ নিচেই কাষতে থকা যমুনা নৈত আহত ব্যৱসায়ীজনক পেলায় দিয়াৰো চেষ্টা চলোৱা বুলি অভিযোগ আহত নেৰাজৰ পিতৃৰ। নিশা নেৰাজ উদ্দিনক ঘৰৰ পৰা বস্তু লাগে বুলি মাতি পঠিওৱাৰো অভিযোগ দুৰ্বৃত্তৰ দলৰ বিৰুদ্ধে। নেৰাজ উদ্দিনৰ ডবকা চহৰত আছে এখন টেণ্ট হাউচৰ দোকান। নেৰাজৰ পিতৃ আব্দুল কাদিৰে ৰেহান উদ্দিন,স্বামিম উদ্দিনসহ ৬জনৰ বিৰুদ্ধে ডবকা থানাত এক এজাহাৰ দাখিল কৰাত ডবকা আৰক্ষীয়ে ০৮/২০২৫ গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে। অতিশীঘ্ৰে দুৰ্বৃত্তসকলক চিনাক্ত কৰি দৃষ্টান্ত মূলক শাস্তি প্ৰদানৰো দাবী উত্থাপন কৰিছে অগপৰ হোজাই জিলাৰ প্ৰাক্তন সভাপতি ৰেজাউল কৰিম চৌধুৰী, আমছুৰ হোজাই জিলা সভাপতি কবিৰ আহমেদ লস্কৰ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ হোজাই জিলাৰ সাধাৰণ সম্পাদক পাৰভেজ লস্কৰসহ একাংশ দল লগতে স্থানীয় ৰাইজে।

## উত্তৰ গুৱাহাটীত পণ্ডিত প্ৰৱৰ আনন্দৰাম বৰুৱাৰ ১৩৭সংখ্যক মৃত্যু তিথিত স্মৰণ




**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ গুৱাহাটী, ১৯ জানুৱাৰী ঃ** বিশ্ব বিশ্ৰুত সংস্কৃত পণ্ডিত পণ্ডিত প্ৰৱৰ আনন্দৰাম বৰুৱাৰ ১৩৭সংখ্যক মৃত্যু তিথিত পণ্ডিতগৰাকীৰ জন্মস্থান উত্তৰ গুৱাহাটী ৰজাদুৱাৰত শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। আনন্দৰাম বৰুৱা স্মৃতি সংৰক্ষণ সমিতিৰ উদ্যোগত দিনজোৰা কাৰ্য্যসূচীৰে অনুষ্ঠিত কাৰ্য্যসূচীৰ আজি পুৱা পণ্ডিত প্ৰৱৰ আনন্দৰাম বৰুৱাৰ ৰজাদুৱাৰত থকা আৱক্ষ মূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰি শুভাৰম্ভ কৰে সমিতিৰ উপ-সভাপতি গৌৰী কান্ত কাকতিয়ে। ইয়াৰ পিছতে ৰজাদুৱাৰৰ দীপিকা দাসৰ নেতৃত্বত মহিলা নামতি দলে দিহানাম পৰিৱেশন কৰে। দৌল গোবিন্দ মন্দিৰৰ অতিথিশালাত আনন্দৰাম বৰুৱা স্মৃতি সংৰক্ষণ সমিতিৰ সভাপতি বিশ্বনাথ বৰুৱাৰ সভাপতিত্ব অনুষ্ঠিত স্মৃতিচাৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক সৌৰভ কুমাৰ বৰকাকতিয়ে। স্মৃতিচাৰণ সভাত আৰম্ভণিতে আনন্দৰাম বৰুৱাৰ ওপৰত বিশিষ্ট শিল্পী নাৰায়ণ বেজবৰুৱাৰ দ্বাৰা ৰচিত আৰু কেশৱ চন্দ্ৰ তালুকদাৰে সুৰ কৰা এটি সমবেত সংগীত পৰিৱেশন কৰে উষা দেৱী, ইজুমণি বৰুৱা, ৰবিন্দ্ৰ কলিতাৰ লগতে সহ শিল্পী বৃন্দই। সভাত ভাষণ দি দৌল গোবিন্দ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি তথা শিলাসেন্দূৰী ঘোপা মৌজাৰ মৌজাদাৰ ৰাতুল বৰুৱাই কয় আনন্দৰাম বৰুৱা আছিল এগৰাকী বিশ্ববিশ্ৰুত সংস্কৃত পণ্ডিত। তেওঁ নিজৰ পাণ্ডিত্যৰ বলত কেৱল অসমকে নহয় সমগ্ৰ ভাৰতৰ মান সমগ্ৰ বিশ্বত প্ৰতিষ্ঠা কৰি থৈ গৈছে। বৰুৱাই সংস্কৃত ভাষাটো সৰ্বসাধাৰণৰ বোধগম্য হোৱাৰ বাবে কাম আৰম্ভ কৰিছিল যদিও নিয়তিয়ে তেওঁক অকালতে আমাৰ মাজৰ পৰা লৈ গ'ল। বৰুৱাই লগতে কয় আনন্দৰাম বৰুৱা এগৰাকী পণ্ডিতৰ লগতে এগৰাকী সুদক্ষ সুদক্ষ প্ৰশাসনিক বিষয়াও আছিল। সভাত ভাষণ দি সমিতিৰ উপ-সভাপতি গৌৰীকান্ত কাকতি, বিশ্বনাথ বৰুৱা, ড° মালচী চৌধুৰীয়ে আনন্দৰাম বৰুৱাই শৈক্ষিক আৰু প্ৰশাসনিক ক্ষেত্ৰত আগবঢ়োৱা বৰঙণিৰ ওপৰত বিশেষ ভাৱে আলোকপাত কৰে। আনন্দৰাম বৰুৱাৰ মৃত্যু তিথিৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থিতাতে লিখা ৰচনা আৰু বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° মালচী চৌধুৰী, অসমীয়া বিভাগৰ অধ্যাপক ড° তাৰিণী কান্ত হালৈ আৰু শিক্ষয়িত্ৰী সাদৰি বৈশ্যই বিচাৰকৰ দায়িত্ব ৰূপায়ণ কৰা ৰচনা প্ৰতিযোগিতাত ড° তাৰিণীকান্ত হালৈয়ে বৰ্তমান সময়ত আনন্দৰাম বৰুৱাৰ প্ৰাসাংগিকতা সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। ৰচনা প্ৰতিযোগিতাত শৰাইঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী ৰশ্মিতা হীৰা আৰু আসাম হোলি এঞ্জেলছৰ ছাত্ৰী মৃণ্ময়ী দাসে যুটীয়া ভাৱে প্ৰথম, ডিম্পী দাস ( উত্তৰ গুৱাহাটী মহাবিদ্যালয়), চয়নিকা দাস আৰু নাৰ্গিচ বেগমে (দীৰ্ঘেশ্বৰী এম ই স্কুল) উদ্‌গণি পুৰস্কাৰ লাভ কৰে। বক্তৃতা প্ৰতিযোগিতাত শৰাইঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰী ৰশ্মিতা হীৰা আৰু ডিম্পী দাস (উত্তৰ গুৱাহাটী মহাবিদ্যালয়) যুটীয়া ভাৱে প্ৰথম আৰু আসাম হোলি এঞ্জেলছৰ ছাত্ৰী মৃণ্ময়ী দাসে দ্বিতীয় পুৰস্কাৰ লাভ কৰে। পুৰস্কাৰ প্ৰাপকক উদ্যোক্তাৰ ফালৰ পৰা নগদ ধন, কিতাপ আৰু মানপত্ৰ আগবঢ়োৱা হয়।

## বৰপেটাৰোডৰ নামনি অসম ভিত্তিত শ্ৰীশ্ৰী ঠাকুৰ অনুকূল চন্দ্ৰৰ ১৩৭তম জন্ম জয়ন্তী

### ২০ হাজাৰোধিক ভক্তৰ সমাগম

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১৯ জানুৱাৰী ঃ** নামনি অসমৰ বাণিজ্যিক চহৰ বৰপেটাৰোডৰ সমীপৰ মিনি ষ্টেডিয়ামত আজি নামনি অসম তথা বিটিআৰ ভিত্তিত শ্ৰীশ্ৰীঠাকুৰ অনুকূল চন্দ্ৰৰ ১৩৭তম্ জন্ম মহোৎসৱ অনুষ্ঠিত হয়। উক্ত ঠাকুৰ জন্ম জয়ন্তীত ধৰ্ম আলোচনী সভাত গুৱাহাটী আই আই টিৰ অধ্যাপক ড° লিংগৰাজ চাহ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ভবেন তাঁতী, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° নৃপেন নাৰ্জাৰীকে আদি কৰি বহু কেইগৰাকী বিশিষ্ট লোকে উপস্থিত থাকি ঠাকুৰৰ জীৱন, অৱদান কৰ্মৰাজিৰ, অৱদান আদিৰ সম্পৰ্কে তত্ত্ব গধুৰ ভাষণ প্ৰদান কৰে। নামনি অসমৰ বিশেষ কৈ নলবাৰী, বঙাইগাঁও, ধুবুৰী, গোৱালপাৰা, বজালী, বৰপেটাৰ লগতে বিটিআৰৰ কোকৰাঝাৰ, চিৰাং, উদালগুৰি আদিৰ পৰা অহা প্ৰায় ২০ হাজাৰৰ ও অধিক অনুকূল ধৰ্মাৱলম্বীৰ লোকে ঠাকুৰৰ জন্ম উৎসৱত অংশ গ্ৰহণ কৰি ঠাকুৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, বন্তি প্ৰজ্জ্বলৰ লগতে আশীৰ্বাদ লয়। কাৰ্যসূচী অনুসৰী পুৱাৰ ভাগত উষা কীৰ্ত্তন, বিনোদি প্ৰাৰ্থনাৰ লগতে দুপৰীয়াৰ পৰা বিটিআৰৰ সমাজকল্যাণ বিভাগৰ ই.এম গৌতম দাসে শুভ উদ্বোধন কৰা মাল্টি স্পেচিয়েলিটী বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰাৰ লগতে গুৱাহাটীৰ বহু কেইবাখনো আগশাৰী ব্যাক্তিগত খণ্ডৰ চিকিৎসালয়ৰ প্ৰায় ৩০গৰাকী বিভিন্ন বিভাগৰ বিশেষজ্ঞ চিকিৎসকে বিনামূলীয়াকৈ চিকিৎসা সেৱা আগবঢ়োৱাৰ লগতে বিনামূলীয়াকৈ দৰৱ প্ৰদান কৰে প্ৰায় ১৫০০ ৰোগীক আনহাতে চিকিৎসা শিৱিৰ আৰম্ভ হোৱাৰ পূৰ্বে ঠাকুৰ অনুকূল চন্দ্ৰৰ জন্ম উৎসৱৰ উপলক্ষত সংগতি ৰাখি এক বিশাল সাংস্কৃতিক আৰু আধ্যাত্মিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত শোভাযাত্ৰাত শ্ৰীশ্ৰী ৰামআতা নাম দল, জাগ্ৰিতি থিয় নাম দল, কাৰ্বি কৃষ্টি দল, সোণপাহি, কোচৰাজবংশি কৃষ্টি দল, ৰাংচাং ৰাভা কৃষ্টি দল, হাজং কৃষ্টি দল আদিকে কৰি প্ৰায় ৫০টাৰ অধিক অসমৰ সাংস্কৃতিক কৃষ্টি দলে অংশগ্ৰহণ কৰে। নিশা লৈ ঠাকুৰ অনুকূল চন্দ্ৰৰ আধাৰত ধৰ্মীয় গীত আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সংগীতানুষ্ঠানৰ বহু কেইগৰাকী শিল্পীয়ে গীত পৰিৱেশন কৰে।

**লজিক ইনফোটেক লিমিটেড**
**পঞ্জীকৃত ঠিকনা ঃ** ২০৫, হৰিবল ৰয় মাৰ্কেট, ২য় মহলা, এ টি ৰোড,
ছৰফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী, অসম, ভাৰত, ৭৮১০০১
**ইমেইল আইডি ঃ** lil_logic90@hotmail.com **চিআইএনঃ** এল৫১৯০৯এএছ১৯৮৫পিএলচি০০২২৯০

**জাননী**

ইয়াৰ দ্বাৰা **জাননী** দিয়া হৈছে যে **১৬ জানুৱাৰী ২০২৫** তাৰিখৰ **ইঅ'জিএমৰ** জাননীত উল্লেখ কৰা কাৰ্যসূচী বিবেচনা আৰু অনুমোদন কৰিবলৈ **লজিক ইনফোটেক লিমিটেডৰ** সদস্যসকলৰ **অতিৰিক্ত সাধাৰণ সভা (ইঅ'জিএম) ২৪ জানুৱাৰী ২০২৫ তাৰিখ শুকুৰবাৰে দুপৰীয়া ১:০০ বজাত ২০৫, হৰিবল ৰয় মাৰ্কেট, ২য় মহলা এ টি ৰোড, ছৰফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী- ৭৮১০০১ৰ** পঞ্জীয়নভুক্ত ঠিকনাত অনুষ্ঠিত হ'ব। ইঅ'জিএমৰ জাননীৰ প্ৰতিলিপি সেই সকলো সদস্যলৈ প্ৰেৰণ কৰা হৈছে যাৰ ইমেইল আইডি কোম্পানী/ডিপজিটৰী অংশগ্ৰহণকাৰী(সকল)ৰ সৈতে পঞ্জীয়ন কৰা হৈছে। ইঅ'জিএমৰ জাননীৰ কায়িকপ্ৰতিলিপি অন্য সকলো সদস্যলৈ অনুমোদিত স্থিতি অনুসাৰে তেওঁলোকৰ পঞ্জীয়নভুক্ত ঠিকনালৈ প্ৰেৰণ কৰা হৈছে।
শ্বেয়াৰহোল্ডাৰৰ বৃহৎ অংশগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি আৰু কোম্পানী আইন, ২০১৩, ছেবি (তালিকাকৰণ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, ২০১৫ আৰু ছেবিৰ নিৰ্দেশনা অনুসৰি **নেচনেল ছিকিউৰিটিজ ডিপজিটৰী লিমিটেডৰ** সৈতে ই-ভোটিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সময়সীমা **২১ জানুৱাৰী ২০২৫ তাৰিখৰ পৰা পুৱা ৯:০০ বজাৰ পৰা আৰম্ভ হ'ব আৰু ২৩ জানুৱাৰী ২০২৫ তাৰিখে সন্ধিয়া ৫.০০ বজাত** কোম্পানী (ব্যৱস্থাপনা আৰু প্ৰশাসনিক) নিয়ম ২০১৪-ৰ নিয়ম ২০(৩) (VI) অনুসৰি সমাপ্ত হ'ব।
এই সময়ছোৱাত কোম্পানীটোৰ শ্বেয়াৰহোল্ডাৰসকলে, **২০২৫ চনৰ ১৭ জানুৱাৰীলৈকে** কায়িক ৰূপত বা ডিমেটেৰিয়েলাইডজ ৰূপত শ্বেয়াৰ ধাৰণ কৰি ইলেক্ট্ৰনিকভাৱে ভোট দিব পাৰে। ই-ভোটিঙৰ বাবে বিশদ নিৰ্দেশনা ইঅ'জিএমৰ জাননীত দিয়া হৈছে।
ইঅ'জিএমৰ বাবে কোম্পানীটোৰ সদস্যৰ পঞ্জীয়ন **২০২৫ চনৰ ১৮ জানুৱাৰীৰ পৰা ২০২৫ চনৰ ২৪ জানুৱাৰী**লৈকে (দুয়োটা দিনকে ধৰি) বন্ধ থাকিব।
স্ক্ৰুটিনাইজাৰৰ প্ৰতিবেদনৰ সৈতে ঘোষিত ফলাফলসমূহ এনএছডিএলৰ ৱেবছাইট https://eservices.nsdl.comত উপলব্ধ হ'ব আৰু প্ৰয়োজনীয় সংখ্যক ভোট লাভ কৰাৰ অধীনত কোম্পানীটোৰ শ্বেয়াৰসমূহ তালিকাভুক্ত হোৱা ষ্টক এক্সচেঞ্জলৈও প্ৰেৰণ কৰা হ'ব, জাননীত উল্লেখ কৰা প্ৰস্তাৱনাসমূহ ইঅ'জিএমৰ তাৰিখত গৃহীত বুলি গণ্য কৰা হ'ব।

**লজিক ইনফোটেক লিমিটেডৰ** বাবে আৰু হৈ
স্বা/- **স্বপন সৰকাৰ**
(পৰিচালন সঞ্চালক)
ডিআইএনঃ ০৫১৪৯৪৪২

স্থান ঃ গুৱাহাটী
তাৰিখ ঃ ২০২৫ চনৰ ২০ জানুৱাৰী

**লাফন ছফ্‌টৱেৰ লিমিটেড**
**পঞ্জীকৃত ঠিকনা ঃ** ২০৫, হৰিবল ৰয় মাৰ্কেট, ২য় মহলা, এ টি ৰোড,
ছৰফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী, অসম, ভাৰত, ৭৮১০০১
**ইমেইল আইডি ঃ** laffan@mail.com **চিআইএন ঃ** এল৭২২০০এএছ১৯৮৫পিএলচি০০২৪২৬

**জাননী**

ইয়াৰ দ্বাৰা **জাননী** দিয়া হৈছে যে **১৬ জানুৱাৰী ২০২৫** তাৰিখৰ **ইঅ'জিএমৰ** জাননীত উল্লেখ কৰা কাৰ্যসূচী বিবেচনা আৰু অনুমোদন কৰিবলৈ **লাফন ছফ্‌টৱেৰ লিমিটেডৰ** সদস্যসকলৰ **অতিৰিক্ত সাধাৰণ সভা (ইঅ'জিএম) ২৪ জানুৱাৰী ২০২৫ তাৰিখ শুকুৰবাৰে পুৱা ১১ বজাত ২০৫, হৰিবল ৰয় মাৰ্কেট, ২য় মহলা এ টি ৰোড, ছৰফ বিল্ডিঙৰ ওচৰত, কামৰূপ, গুৱাহাটী- ৭৮১০০১ৰ** পঞ্জীয়নভুক্ত ঠিকনাত অনুষ্ঠিত হ'ব। ইঅ'জিএমৰ জাননীৰ প্ৰতিলিপি সেই সকলো সদস্যলৈ প্ৰেৰণ কৰা হৈছে যাৰ ইমেইল আইডি কোম্পানী/ডিপজিটৰী অংশগ্ৰহণকাৰী(সকল)ৰ সৈতে পঞ্জীয়ন কৰা হৈছে। ইঅ'জিএমৰ জাননীৰ কায়িকপ্ৰতিলিপি অন্য সকলো সদস্যলৈ অনুমোদিত স্থিতি অনুসাৰে তেওঁলোকৰ পঞ্জীয়নভুক্ত ঠিকনালৈ প্ৰেৰণ কৰা হৈছে।
শ্বেয়াৰহোল্ডাৰৰ বৃহৎ অংশগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি আৰু কোম্পানী আইন, ২০১৩, ছেবি (তালিকাকৰণ বাধ্যবাধকতা আৰু প্ৰকাশৰ প্ৰয়োজনীয়তা) নিয়মাৱলী, ২০১৫ আৰু ছেবিৰ নিৰ্দেশনা অনুসৰি **নেচনেল ছিকিউৰিটিজ ডিপজিটৰী লিমিটেডৰ** সৈতে ই-ভোটিঙৰ ব্যৱস্থা কৰা হৈছে। ভোটদানৰ সময়সীমা **২১ জানুৱাৰী ২০২৫ তাৰিখৰ পৰা পুৱা ৯.০০ বজাৰ পৰা আৰম্ভ হ'ব আৰু ২৩ জানুৱাৰী ২০২৫ তাৰিখে সন্ধিয়া ৫.০০ বজাত** কোম্পানী (ব্যৱস্থাপনা আৰু প্ৰশাসনিক) নিয়ম ২০১৪-ৰ নিয়ম ২০(৩) (VI) অনুসৰি সমাপ্ত হ'ব।
এই সময়ছোৱাত কোম্পানীটোৰ শ্বেয়াৰহোল্ডাৰসকলে, **২০২৫ চনৰ ১৭ জানুৱাৰী**লৈকে কায়িক ৰূপত বা ডিমেটেৰিয়েলাইডজ ৰূপত শ্বেয়াৰ ধাৰণ কৰি ইলেক্ট্ৰনিকভাৱে ভোট দিব পাৰে। ই-ভোটিঙৰ বাবে বিশদ নিৰ্দেশনা ইঅ'জিএমৰ জাননীত দিয়া হৈছে।
ইঅ'জিএমৰ বাবে কোম্পানীটোৰ সদস্যৰ পঞ্জীয়ন **২০২৫ চনৰ ১৮ জানুৱাৰীৰ পৰা ২০২৫ চনৰ ২৪ জানুৱাৰী**লৈকে (দুয়োটা দিনকে ধৰি) বন্ধ থাকিব।
স্ক্ৰুটিনাইজাৰৰ প্ৰতিবেদনৰ সৈতে ঘোষিত ফলাফলসমূহ এনএছডিএলৰ ৱেবছাইট https://eservices.nsdl.comত উপলব্ধ হ'ব আৰু প্ৰয়োজনীয় সংখ্যক ভোট লাভ কৰাৰ অধীনত কোম্পানীটোৰ শ্বেয়াৰসমূহ তালিকাভুক্ত হোৱা ষ্টক এক্সচেঞ্জলৈও প্ৰেৰণ কৰা হ'ব, জাননীত উল্লেখ কৰা প্ৰস্তাৱনাসমূহ ইঅ'জিএমৰ তাৰিখত গৃহীত বুলি গণ্য কৰা হ'ব।

**লাফন ছফ্‌টৱেৰ লিমিটেডৰ** বাবে আৰু হৈ
স্বা/- **স্বপন সৰকাৰ**
(পৰিচালন সঞ্চালক)
ডিআইএন ঃ ০৫১৪৯৪৪২

স্থান ঃ গুৱাহাটী
তাৰিখ ঃ ২০২৫ চনৰ ২০ জানুৱাৰী

# Minister Kaushik Rai, took part in a review meeting in Tezpur

**Assam Rising**
**Guwahati, January 19 :** Tezpur, January 19: Minister for Food, Public Distribution and Consumer Affairs, Mines and Minerals, and Barak Valley Development etc. Kaushik Rai, convened a review meeting with officials from the Department of Food, Public Distribution & Consumer Affairs in Sonitpur district on Saturday. The meeting, held at the Conference Hall of the District Commissioner's Office, Sonitpur, was attended by the MLA of Tezpur LAC Prithiraj Rava, Commissioner of Food, Public Distribution, Consumer Affairs & Legal Metrology Shri Ananda Das, ACS; District Commissioner Ankur Bharali, and ADC (F.PD&CA) cum Co-District Commissioner of Dhekiajuli Dyotiva Bora, among others.




During the meeting, Minister Rai reviewed the current status of NFSA/ration cards operational in the district. He highlighted the ongoing deliberations on rationalizing staff allocation across districts based on the number of functional ration cards, Fair Price Shops (FPS), and other relevant parameters to strengthen the public distribution system in Assam. Rai reiterated the government's commitment to ensuring that all eligible beneficiaries promptly receive their ration cards. Addressing the issue of AADHAAR seeding, the Minister directed officials to expedite the process, verify the existing ration card beneficiaries facing difficulties, and ensure that no eligible beneficiary is deprived of their entitlements. He also focused on resolving the challenges faced by "zero transaction" FPS, emphasizing the need to eliminate bottlenecks affecting the public distribution system. Commissioner Ananda Das briefed the meeting on the department's functions in the district and highlighted the transition to an entirely online ration card distribution system. Speaking with Legal Metrology officials, Rai stressed the importance of strict monitoring of FPS operations and suggested forming joint task forces with other stakeholders to enhance vigilance. He underscored the importance of transparency and accountability in the system to benefit the underprivileged sections of society. The meeting also deliberated on the status of paddy procurement in the district, strategies to enhance public awareness campaigns, current market rates of essential commodities, and the e-KYC updation process. Rai commended the efforts of the district administration and urged all stakeholders to collaborate toward achieving a fair and equitable public distribution system. Deputy Director of Supply, Sonitpur Giridhar Deka, along with other departmental officials, District Agriculture Officer, FCI representatives, PPC managers, millers, grocery shopkeepers, and members of the North Assam Chambers of Commerce, actively contributed to the discussions.



# Sudhir Verma, IG, Ftr Guwahati SSB Visits 31 Bn SSB Gossaigaon

**Assam Rising**
**Gossaigaon, January 19:** Sudhir Verma, Inspector General, Frontier Guwahati, Sashastra Seema Bal (SSB) paid a three-day visit to 31st Battalion SSB, Gossaigaon recently. Verma was warmly welcomed by Chiranjib Bhattacharjee, Commandant, 31 Bn SSB; Jeet Singh, Second-in-Command; L N Singh, Dy. Commandant; Paranav Shukla, Dy. Commandant; Dighade S R, Dy. Commandant; Dilip Kumar Sarkar, Dy. Commandant; Dr. Biji S, Assistant Commandant (MO); and Ranjeet Kumar, Assistant Commandant (Comm). Followed by a grand Guard of Honour by the SSB personnel at the Battalion Headquarters. The visit included various demonstrations showcasing the troops' skills and operational readiness, including Tattoo Drill, weapon demonstrations of the 81 mm Mortar & 7.62 mm (MAG) MMG, weapon stripping and assembling, and a fitness park demonstration. Later on, a tree plantation drive was also carried out by Sudhir Verma, accompanied by officers of the 31 Bn SSB, emphasizing the importance of environmental conservation. During the inspection of the Battalion premises and branches, Sudhir Verma accompanied by Sh. Amit Kumar Thakur, DIG, SHQ Bongaigaon; interacted with the jawans and officers in a Special Sainik Sammelan. He encouraged the SSB personnel in a positive and disciplined environment and emphasized the importance of incorporating millets into daily diets to promote a healthy, stress-free lifestyle and enhance overall performance and well-being. He also inspected the border pillars along the Indo-Bhutan border within the Area of Responsibility (AOR) of the 31 Bn SSB Gossaigaon. A river-crossing demonstration was also conducted as part of the routine operational activities performed by the jawan. Following this, a Bada Khana and a cultural program were organized, further strengthening camaraderie and fostering the spirit of fraternity among the personnel.

# Nagaon Premier Club Championship starts

**Assam Rising**
**Nagaon, January 19:** The A N Kidwai Trophy Cluster One Cricket tournament, which is a part of the 7th Assam Premier Club Championship, organized by the Assam Cricket Association, kicked off at the Nurul Amin Stadium today here in Nagaon. The tournament began with a match between Prabah Gosthi and Trinayan Gosthi in which Prabah Gosthi defeated Trinayan Gosthi with 6 wickets. In the opening match, Trinayan Gosthi batted first and scored 180 runs in 40 overs, losing nine wickets. Abhoy Das scored 41 runs, Zakir Ali scored 39 runs, and Ariful Alam Ansari scored an unbeaten 25 runs. For Prabah Gosthi, Manash Bhawal took three wickets, while Amarjyoti Shah took two wickets. In response, Prabah Gosthi scored 184 runs in 35 overs, losing four wickets. Tajuddin Ahmed scored 104 runs, and Bipulendra Acharya scored 42 runs. Abhoy Das of Trinayan Gosthi took two wickets. Tajuddin Ahmed was declared the Man of the Match for his outstanding performance. Former cricketer Biplab Choudhury presented the award to Ahmed. The tournament was ceremonially inaugurated by former cricketer Parish Jyoti Bhuyan in the presence of dignitaries, including Tapan Kumar Das, Secretary of the Nagaon Sports Association, and other officials.

# MSSV receives 'university of the year award' in Bangaluru

**Assam Rising**
**Nagaon, January 19:** Mahapurush Srimanta Sankardeva Viswavidyalaya, established in 2014 in Nagaon, has been conferred with the prestigious 'university of the year-2024 award' for its holistic and multidimensional education. The award was presented at a grand ceremony held at Courtyard Bye Marriott in Bengaluru Hebbal by Inside Magazine, Bengaluru on Saturday last. Besides, the Chancellor of the varsity, Bhabendra Nath Deka, was also honored with the 'India's Most Inspiring Educational Leader 2024 award' by the same Inside Magazine, Bengaluru. The awards were ceremonially received by the versity's chancellor as well as Pradadhikar of Srimanta Sankardeva Sangha and vice-chancellor of the varsity Bhabendra Nath Deka and Professor Mridul Hazarika respectively. The community of Srimanta Sankardeva Viswavidyalaya, has expressed their commitment to working with renewed inspiration in the coming days. The award ceremony was attended by prominent educational leaders, including Dr Prakash Rao, Dr T H Anjappaa, Professor G D Sarma, and Rakesh Kumar Singh, a press note added here.

# 1st Battalion of NDRF celebrates 20th Raising Day



**Assam Rising**
**Guwahati, January 19 :** The 1st Battalion of National Disaster Response Force (NDRF) celebrated its 20th Raising Day today, commemorating two decades of dedicated service to the nation. Established in 2006, the 1st Battalion plays a crucial role in disaster response across the northeastern states of Assam, Tripura, Meghalaya and Mizoram.Over the past two decades, the NDRF has consistently demonstrated its unwavering commitment to saving lives and mitigating the impact of disasters. The 1st Battalion has been instrumental in numerous successful rescue and relief operations which includes swift and effective response to the devastating 2019 & 2022 Assam and Tripura floods and crucial role in the 2021 & 2025 Coal Mine accidents in Meghalaya and Assam, showcasing exemplary professionalism and courage.With a track record of saving over 1,23,887 lives, the 1st Battalion NDRF has consistently upheld the highest standards of professionalism and dedication. The unit's continuous focus on training and capacity building ensures its personnel are well-equipped to handle a wide range of disaster scenarios.Beyond rescue and relief operations, the 1st Battalion actively engages in community outreach programs, conducting public awareness campaigns and disaster management training for local communities. These efforts aim to enhance community resilience and preparedness for future disasters.Shri HPS Kandari, Commandant, 1st Battalion, NDRF, commended the bravery, dedication and resilience of the rescue workers, acknowledging their selfless service to the nation. He emphasized the importance of strengthening disaster management capabilities to ensure a safer and more resilient India.

# Fake candidate arrested in Tezpur

**Assam Rising**
**Tezpur, January 19 :** A fake/proxy candidate for the Teacher Eligibility Test cum recruitment Examination-2024 held on Sunday across the state was arrested from the examination center of Government Girl's Multipurpose School in Tezpur. As per police sources, the accused candidate identified as Sadek Ali, a subject teacher of Dalgaon Ballav Bhai Petal Higher secondary school sate in the examination as a proxy candidate on behalf of one Sajid Ali. He appeared the test sitting in the same bench of his wife who was also a candidate of the examination. It needs mention here that apart from this incident the TET cum Recruitment Examination-2024 held in a number of centers in Sonitpur District for the post of graduate and post-graduate teachers of different government and provincialized secondary schools passed off error free and peacefully.

# Mishap claims one at Nagsankar

**Assam Rising**
**Biswanath Chariali, January 19:** In a tragic road accident that took place at the road crossing on NH 15 at Nagsankar, one Nripen Daimary died on the spot today. According to information, Nripen Daimary, the bike rider, was heading towards his home in his motorcycle bearing registration number AS12 D6200. As he was about to cross NH 15, a Scorpio car bearing registration number AS01EB1919 which appeared from the same direction hit him at the crossing. Nripen Daimary sustained a serious injury and succumbed to the injury. The deceased originally hailed from Chengamari village. Later on, a team of Sootea police sent the body for autopsy.

# 112th Nagaon Bhogali Bihu festival concludes

**Assam Rising**
**Nagaon, January 19:** The 112th Nagaon Bhogali Bihu festival, being organized at historic Nehrubali field here, came to an end with a thrilling boat racing event on the Morikolong Bill, a natural lake on the outskirts of Nagaon town today here. The event, which was a special part of the Bhogali Bihu celebrations this time, drew thousands of spectators who gathered to witness the exciting competition. Over eight teams participated in the boat racing event, which was inaugurated by noted journalist and litterateur Manoj Kumar Goswami. The event was organized by the organizing committee of Nagaon Bhogali Bihu festival, a local organization that has been celebrating the Bhogali Bihu festival for over a century. The Bihu festival concluded with a cultural programme featuring music, dance, and performances by local artists. The Nagaon Bhogali Bihu festival, which began on January 13, featured a range of cultural events, including traditional Assamese music and dance performances, theater performances, and a fair. The various events of the festival, were attended by thousands of people from across the region. The Nagaon Bhogali Bihu festival has been celebrating the Bhogali Bihu festival for over a century. The organization is dedicated to promoting and preserving Assamese culture and traditions.

# Assam shines at 68th National School games

**Assam Rising**
**Nagaon, January 19:** The young yoga activists of yoga made their mark at the 68th National School Games, held at the A.B.P. Education Society in Kolhapur, Maharashtra. Dishna J R Chand, a student from Darrang, won a bronze medal in the under-17 girls' rhythmic gymnastics category. The 17-year-old girls' team was coached by Joya Rani Deka and managed by Pallavi Deka. According to Bichitra Ranjan Bora, Head of Delegation for the Assam team, the team's success is a testament to their hard work and dedication. The 68th National School Games, which began on January 15, feature competitions for boys and girls under 17 and 19 years old. Assam's team has made a significant impact, with Dishna's bronze medal being a highlight. Prabhat Chandra Bora, a coach and observer for the Assam team, congratulated the team on their success. The team's achievement is a proud moment for Assam, and their hard work and dedication have paid off.

**LAFFAN SOFTWARE LIMITED**
**Reg Add:** 205, Haribol Roy Market, 2nd Floor A. T. Road,Near Saraf Building, Kamrup, Guwahati, Assam, India, 781001
**Email Id:** laffan@mail.com; **CIN:** L72200AS1985PLC002426

**NOTICE**

**NOTICE** is hereby given that the **Extra-Ordinary General Meeting (EOGM)** of the Members of **LAFFAN SOFTWARE LIMITED** will be held on **Friday, 24th January 2025 at 11: 00 am** at its registered address at **205, Haribol Roy Market, 2nd Floor A. T. Road, Near Saraf Building, Kamrup, Guwahati- 781001** to consider and approve the agenda set out in the notice of the **EOGM** dated **16th January, 2025.** Copies of the Notice of the EOGM have been sent to all the members whose Email IDs are registered with the Company/Depository Participant(s). Physical copies of Notice of the EOGM have been sent to all other members at their registered address in the permitted mode.
Keeping in view larger participation of shareholder's and pursuant to Companies Act, 2013, SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015 & SEBI's guidelines arrangements have been made for E-Voting with **National Securities Depository** Limited. The Voting period begins from **21st January, 2025 at 9:00 A.M. and ends on 23rd January, 2025 at 5:00 P.M.** in terms of Rule 20(3) (VI) of Companies (Management and Administrative) Rules 2014.
During this period the shareholders of the Company, holding shares either in physical form or dematerialized form as on **17th January, 2025** may cast their vote electronically. A detailed instruction for E-Voting is provided in the Notice of the EOGM.
The Register of Members of the Company shall remain closed from **18th January, 2025 to 24th January, 2025** (both days inclusive) for the purpose of the EOGM.
The declared results along with the Scrutinizer's Report shall be placed on the website of NSDL at https://eservices.nsdl.comand will also be forwarded to the Stock Exchange where the Company's shares are listed subject to receipt of requisite number of votes, the resolutions set out in the Notice shall be deemed to be passed on the date of the EOGM.

For and behalf of
**LAFFAN SOFTWARE LIMITED**
Sd/- **SWAPAN SARKAR**
(Managing Director)
DIN: 05149442

Place : Guwahati
Date : The 20th day of January, 2025

**LOGIC INFOTECH LIMITED**
**Reg Add:** 205, Haribol Roy Market, 2nd Floor, A. T. Road,Near Saraf Building, Kamrup, Guwahati, Assam, India, 781001
**Email Id:** lil_logic90@hotmail.com; **CIN:** L51909AS1985PLC002290

**NOTICE**

**NOTICE** is hereby given that the **Extra-Ordinary General Meeting (EOGM)** of the Members of **LOGIC INFOTECH LIMITED** will be held on **Friday, 24th January 2025 at 1:00 P.M** at its registered address at **205, Haribol Roy Market, 2nd Floor, A. T. Road, Near Saraf Building, Kamrup, Guwahati- 781001** to consider and approve the agenda set out in the notice of the **EOGM** dated **16th January, 2025.** Copies of the Notice of the EOGM have been sent to all the members whose Email IDs are registered with the Company/Depository Participant(s). Physical copies of Notice of the EOGM have been sent to all other members at their registered address in the permitted mode.
Keeping in view larger participation of shareholder's and pursuant to Companies Act, 2013, SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015 & SEBI's guidelines arrangements have been made for E-Voting with **National Securities Depository** Limited. The Voting period begins from **21st January, 2025 at 9:00 A.M. and ends on 23rd January, 2025 at 5:00 P.M.** in terms of Rule 20(3) (VI) of Companies (Management and Administrative) Rules 2014.
During this period the shareholders of the Company, holding shares either in physical form or dematerialized form as on **17th January, 2025** may cast their vote electronically. A detailed instruction for E-Voting is provided in the Notice of the EOGM.
The Register of Members of the Company shall remain closed from **18th January, 2025 to 24th January, 2025** (both days inclusive) for the purpose of the EOGM.
The declared results along with the Scrutinizer's Report shall be placed on the website of NSDL at https://eservices.nsdl.comand will also be forwarded to the Stock Exchange where the Company's shares are listed subject to receipt of requisite number of votes, the resolutions set out in the Notice shall be deemed to be passed on the date of the EOGM.

For and behalf of
**LOGIC INFOTECH LIMITED**
Sd/- **SWAPAN SARKAR**
(Managing Director)
DIN: 05149442

Place : Guwahati
Date : The 20th day of January, 2025

# NFR removes permanent speed restriction

**Assam Rising**
**Guwahati, January 19:** The Northeast Frontier Railway (NFR) is taking various measures to increase sectional speed of trains. In this regard, temporary and permanent speed restrictions are being removed wherever feasible. Moreover, speeds of train movement through loop lines have also been increased in various sections. This has resulted in the overall increase in speed of trains apart from improvement in punctuality and to offer enhanced



train services to passengers. NFR has removed/relaxed 10 Permanent Speed Restrictions (PSRs) up to the month of December, 2024. To remove the Permanent Speed Restriction, the curve has been smoothened by adjusting the track geometry, reducing the curvature and allowing for faster train speeds through those sections. Additionally, the bridges have been leveled to ensure that the tracks are flat and do not have any abrupt changes in gradient. The removal of this PSR is a testament to the hard work and dedication of the engineering team of NFR. Similarly, 44 nos. Temporary Speed Restrictions (TSRs) exist over NFR as of now. The speed enhancement work involves comprehensive upgrading of all infrastructures such as track renewal, strengthening of bridges, easing of curves wherever feasible, improving signalling system etc. NFR has been actively working to improve track conditions and remove PSRs throughout its network. These efforts have included track renewal, track maintenance, and the installation of advanced signaling and control systems. The removal of this permanent speed restriction is just one example of the NFR commitment to providing safe and efficient rail travel for all.